DAINIK ASAM, Dibrugarh, Thursday, July 6, 2023

দৈনিক অসম

OTICE
ain, D/O Late
ain resident
, Marangi
hat have
rom Padumi
Buragohain
m before the
istrate at
22.
2/1

th, S/o Lt.
d about 56
of village-
kijhar, PS-
rict of Baksa
IN-.781366
name from
to Jaduram
it before the
Kamrup at
23.
/1

h, S/o Lt.
R/o Vill-
ngi, Ghy-26
e the Notary
) at Ghy dt.
thers actual
Devi, but in
it has been
ishori Devi
esari Devi.
ri Devi and
the name of
erson i.e. my
9/1

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকৰ ফলাফল ঘোষণা

## কানৈ, ফৰকাটিং, মাজুলী মহাবিদ্যালয়ৰ উন্নত প্ৰদৰ্শন

নিজা বাতৰি দিওঁতা

ডিব্ৰুগড়, ৫ জুলাই ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কালি ঘোষিত স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফলত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ে উন্নত প্ৰদৰ্শন কৰিছে। বিজ্ঞান শাখাৰ ফলাফলত বিশ্ববিদ্যালয়ৰ ভিতৰত কানৈ মহাবিদ্যালয়ৰ সৰ্বাধিক ১৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে 'অসাধাৰণ' গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত একমাত্ৰ কানৈ মহাবিদ্যালয়ৰ সৰ্বাধিক সংখ্যক পৰীক্ষাৰ্থীয়ে এনে ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। আনহাতে, বিজ্ঞান আৰু কলা শাখাত মুঠ ১২৩ গৰাকীয়ে 'এ প্লাছ' গ্ৰেড, কলা শাখাত ১১৭ গৰাকীয়ে 'এ' গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। বিজ্ঞান শাখাত মুঠ উত্তীৰ্ণৰ হাৰ ৭৪.২৯ শতাংশ আৰু কলা শাখাত ৭০.৮৮ শতাংশ। বিজ্ঞান শাখাত সৰ্বাধিক ১০৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে 'এ প্লাছ' গ্ৰেড লাভ কৰিবলৈ সক্ষম হয়। আনহাতে বিশ্ববিদ্যালয়খনৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ কলা শাখাৰ ষষ্ঠ যাণ্মাসিকৰ পৰীক্ষাত ৪৪.৩৬ শতাংশ শিক্ষাৰ্থী উত্তীৰ্ণ হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰপৰা মুঠ ২০,০৫৬ গৰাকী পৰীক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বিপৰীতে ৮,৮৯৭ গৰাকী উত্তীৰ্ণ হয়। বিশ্ববিদ্যালয়ৰ অনাৰ্হসহ পৰীক্ষাত অৱতীৰ্ণ ৬,২৮৪ গৰাকী ছাত্ৰৰ মাজৰপৰা ২,৫৩৫ গৰাকী উত্তীৰ্ণ হয়। একেদৰে ছাত্ৰীৰ ক্ষেত্ৰত ১২,০৩১ গৰাকী অৱতীৰ্ণ হোৱাৰ বিপৰীতে উত্তীৰ্ণ হয় ৬,১০২ গৰাকী। আনহাতে, অনাৰ্হ অবিহনে অৱতীৰ্ণ ৭১২ ছাত্ৰৰ ভিতৰত ৯৭ গৰাকী উত্তীৰ্ণ হয়। ছাত্ৰীৰ ১,০২৯ গৰাকীৰ ভিতৰত ১৬৩ গৰাকী উত্তীৰ্ণ হয়। ৮,২৮৭ গৰাকী পৰীক্ষাৰ্থী প্ৰথম শ্ৰেণী লাভ কৰি উত্তীৰ্ণ হয়।

গোলাঘাটৰ জিলাৰ বাতৰি দিওঁতা ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফলত ফৰকাটিং মহাবিদ্যালয়ে উল্লেখযোগ্য সফলতা লাভ কৰিছে। মহাবিদ্যালয়খনৰ কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম দহটা স্থানৰ ভিতৰত স্থান পাবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী কৃষ্ণা নৰহে বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথম স্থান দখল কৰিছে। ৰাজনীতি বিজ্ঞান বিভাগ, বুৰঞ্জী বিভাগ, শিক্ষা তত্ত্ব বিভাগ আৰু সমাজতত্ত্ব বিভাগৰ মুঠ ১৩ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীসহ উন্নত স্থান দখল কৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অপূৰ্ব শইকীয়াই জানিবলৈ দিয়া মতে, মুঠ উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ ১৩ গৰাকীয়ে এ+, ৪১ গৰাকীয়ে এ, ৪৪ গৰাকীয়ে বি+ আৰু ৪ গৰাকীয়ে বি গ্ৰেডসহ স্নাতক ডিগ্ৰী লাভ কৰিছে।

মাজুলীৰ নিজা বাতৰি দিওঁতা ঃ নদীদ্বীপ মাজুলীত উচ্চ শিক্ষাৰ প্ৰসাৰৰ বাবে ১৯৬২ চনতে স্থাপিত মাজুলী মহাবিদ্যালয়ৰপৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চলিত বৰ্ষৰ স্নাতক পৰীক্ষাৰ কলা শাখাত ৯৬ শতাংশ আৰু বিজ্ঞান শাখাত প্ৰায় ৭৯ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে। কলা শাখাত ১৩৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণী লাভ কৰাৰ বিপৰীতে বিজ্ঞান শাখাত ২৬ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণী লাভ কৰিছে। লক্ষণীয় যে ইয়াৰ মাজৰে কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিষয়ত বিশ্ববিদ্যালয়ৰ ভিতৰতে শীৰ্ষ দহটা স্থানৰ ভিতৰত স্থান পাইছে। কালি ঘোষিত ফলাফল অনুসৰি, সমাজতত্ত্ব বিভাগত ৩৯ গৰাকী, ৰাজনীতি বিজ্ঞানত ২৫ গৰাকী, শিক্ষাতত্ত্বত ২৩ গৰাকী, অৰ্থনীতিত ১২ গৰাকী, অসমীয়াত ১১ গৰাকী, ইংৰাজী আৰু ইতিহাস বিভাগত ৬ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে শতকৰা ষাঠি শতাংশতকৈ বেছি নম্বৰ লাভ কৰিছে। অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই অনা সকলো সফল ছাত্ৰ-ছাত্ৰীকে অভিনন্দন জ্ঞাপন কৰে। উল্লেখযোগ্য যে এইসকল মেধা ছাত্ৰ-ছাত্ৰীৰ মাজৰপৰা ৰসায়ন বিজ্ঞান বিভাগত এ+ গ্ৰেড লাভ কৰি উত্তীৰ্ণ হোৱা ছাত্ৰ অমৰজিৎ কুলীয়ে চলিত বৰ্ষৰ সৰ্বভাৰতীয় পৰ্যায়ৰ জে এ এম পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ দেশৰ আগশাৰীৰ শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণৰ সুযোগ লাভ কৰিছে।

SITUATION VACANT

Urgently required top 10 managers, retired, housewife, business man can apply. Contact: 8638792501.
SV/P/PP002230/7

Excellent opportunity! Part-time work from home. Retired persons, Housewives & females. 9101756672.
SV/P/ZC009713/8

Hurry!! Excellent opportunity for retired persons & ladies. Earnings 45000 + PF & Medical extra. Mob: 7002424456.
SV/P/ZC009712/8

Required a Driver cum Bodyguard (Retired defence officer) knowing about the places of North East. Good salary for deserving candidate with free accommodation. e-mail: novokemhealthcare@gmail.com, call: 8453246001, 7002831611.
SV/PL001071/2

Wanted for preschool in Guwahati Receptionist cum Teacher. WhatsApp biodata 7637022754.
SV/P/ZC009701/3